# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 08-12-2024
**Time :** 0705 hrs

## *Assamese Morning Bulletin*

## HEADLINES

১।  প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে যক্ষ্মাৰ অধিক প্ৰাদুৰ্ভাৱ হোৱা জিলা সমূহত গুৰুত্ব আৰোপ কৰি আৰম্ভ কৰা ১০০ দিনীয়া বিশেষ অভিযানৰ সৈতে দেশৰ যক্ষ্মা বিৰোধী যুঁজখন অধিক শক্তিশালী হৈ উঠিল বুলি প্ৰকাশ কৰিছে।

২।  প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং আজি তিনি দিনীয়া ভ্ৰমণসূচীৰে ৰাছিয়ালৈ যাব।

৩।  কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহন আৰু জলপথ দপ্তৰৰ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে  ভাৰত ২০৪৭ চনৰ ভিতৰত বিশ্বৰ ১০খন শীৰ্ষ সামুদ্ৰিক ৰাষ্ট্ৰৰ ভিতৰত অন্যতম ৰূপে পৰিগণিত হ'ব বুলি প্ৰকাশ কৰিছে।

৪।  কেন্দ্ৰীয় মন্ত্ৰী ড০ মনসুখ মন্দাভিয়াই যোৱাটো দশকত দেশৰ ক্ৰীড়াৰ ক্ষেত্ৰত আমূল পৰিৱৰ্তন সাধন হৈছে বুলি মন্তব্য কৰিছে।

*আৰু*

৫।  এডিলেইডত অনুষ্ঠিত ব'ৰ্ডাৰ গাভাস্কাৰ ট্ৰফীৰ দ্বিতীয়খন টেষ্টৰ আজি তৃতীয় দিনা ভাৰতে ৫ উইকেটৰ বিনিময়ত কালি সংগ্ৰহ কৰা ১২৮ ৰানৰ পৰা দ্বিতীয় ইনিংছৰ খেল আৰম্ভ কৰিব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে যক্ষ্মাৰ অধিক প্ৰাদুৰ্ভাৱ হোৱা জিলা সমূহত গুৰুত্ব আৰোপ কৰি আৰম্ভ কৰা ১০০ দিনীয়া বিশেষ অভিযানৰ সৈতে দেশৰ যক্ষ্মা বিৰোধী যুঁজখন অধিক শক্তিশালী হৈ উঠিল বুলি প্ৰকাশ কৰিছে। শ্ৰী মোদীয়ে কালি সামাজিক মাধ্যম যোগে কয়, যে দেশে যক্ষ্মা নিৰ্মূলকৰণৰ বাবে ৰোগীসকলক পৰ্যাপ্ত চিকিৎসা প্ৰদান, জনসাধাৰণৰ অংশগ্ৰহণ, নতুন ঔষধ, প্ৰযুক্তিৰ ব্যৱহাৰ আৰু চিনাক্তকৰণৰ উন্নত সঁজুলিৰে বহুমুখী যুঁজত অৱতীৰ্ণ হৈছে। তেওঁ লগতে সকলোকে একেলগে আগবাঢ়ি আহিবলৈ আৰু যক্ষ্মা নিৰ্মূলকৰণৰ বাবে নিজৰ নিজৰ দায়িত্ব পালন কৰিবলৈ আহ্বান জনায়। ইয়াৰ পূৰ্বে কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰী জে পি নাড্ডাৰ এটা পোষ্টৰ প্ৰত্যুত্তৰত প্ৰধানমন্ত্ৰীয়ে কয়, যে নিক্ষয় মিত্ৰ আৰু লঘূ তথা ফলপ্ৰসূ  চিকিৎসাৰ দৰে উদ্যমসমূহৰ ফলত যক্ষ্মা ৰোগৰ সংক্ৰমণ যথেষ্ট হ্ৰাস পাইছে। ইয়াৰ ফলত সুস্থ হৈ উঠা ৰোগীৰ হাৰ বৃদ্ধি পাইছে আৰু যক্ষ্মা বিৰোধী যুঁজত ভাৰতৰ গোলকীয় নেতৃত্বই গতি লাভ কৰিছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নাগৰিকসকলক ২০৪৭ চনৰ ভিতৰত বিকশিত ভাৰতৰ লক্ষ্যত উপনীত হোৱাৰ যাত্ৰাৰ আৰৰ শক্তি হ'বলৈ আহ্বান জনাইছে। তেওঁ লগতে অৱধাৰণা বিনিময়ৰ বাবে যুৱক-যুৱতীসকলক এখন মঞ্চ প্ৰদানৰ উদ্দেশ্যে অহা মাহত বিকশিত ভাৰত যুৱ নেতা আলোচনা অনুষ্ঠিত হ'ব বুলি প্ৰকাশ কৰিছে। শ্ৰী মোদীয়ে

কালি বিয়লি ভাৰ্চুৱেল ব্যৱস্থাৰে বোছাছনৱাসী অক্ষৰ পুৰুযোত্তম স্বামী নাৰায়ণ বি এ পি এছ্ সংস্থাৰ স্বেচ্ছাসেৱক সকলৰ সন্মানৰ্থে আহমেদাবাদত  আয়োজিত কাৰ্যকাৰ স্বৰ্ণ মহোৎসৱ  সম্বোধন কৰি এইদৰে আহ্বান জনায়। শ্ৰী মোদীয়ে কয়, যে নাগৰিকসকলে স্বচ্ছ্ ভাৰত অভিযান, প্ৰাকৃতিক কৃষি অভিযান, পৰিৱেশ সজাগতা, কন্যা শিশুৰ শিক্ষা আৰু জনজাতিয় কল্যাণৰ দৰে ক্ষেত্ৰসমূহৰ মাধ্যমেৰে ৰাষ্ট্ৰ গঠন প্ৰক্ৰিয়াত অংশ লৈছে। প্ৰধানমন্ত্ৰীয়ে কয়, যে তেওঁ সকলো বি এ পি এছ্ স্বেচ্ছাসেৱকে ৰসায়নমুক্ত কৃষি, বৈচিত্ৰ্যৰ মাজত একতাৰ উদযাপন, মাদক দ্ৰব্যৰ বিভিষিকাৰ বিৰুদ্ধে যুঁজ দিয়া আৰু নৈসমূহৰ পুনৰুজ্জীৱিতকৰণৰ নামত এটা বছৰ উৎসৰ্গা কৰাৰ দৰে বছৰি এটা সংকল্প গ্ৰহণ কৰাটো বিচাৰে। তেওঁ কয়, যে মাৰ নামত এজোপা গছ বিশ্বজুৰি জনপ্ৰিয় হৈ উঠিছে আৰু বহনক্ষম জীৱন শৈলীৰ প্ৰসাৰৰ এই অভিযানে উন্নয়নৰ প্ৰতি দেশৰ যাত্ৰা অধিক শক্তিশালী কৰি তুলিব। শ্ৰী মোদীয়ে লগতে ভূজৰ ভূমিকম্প, কেৰালাৰ বান, উত্তৰাখণ্ডৰ ভূমিস্খলন আৰু কোভিড সংকটৰ সময়ত আগবঢ়োৱা নিস্বাৰ্থ সেৱাৰ বাবে স্বেচ্ছাসেৱক সকলৰ ভূয়সী প্ৰশংসা কৰে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ জয়পুৰত ৰাইজিং ৰাজস্থান বিশ্ব বিনিয়োগ শীৰ্ষ সন্মিলন ২০২৪ উদ্বোধন কৰিব। প্ৰধানমন্ত্ৰী মোদীয়ে এই শীৰ্ষ সন্মিলনত উদ্বোধনী ভাষণ দিব।  এই সন্মিলনত বিশ্বৰ বিভিন্ন ঠাইৰ আগশাৰীৰ উদ্যোগপতি, কূটনীতিবিদ, বাণিজ্য প্ৰতিনিধি আৰু বিনিয়োগকাৰীসকলে অংশগ্ৰহণ কৰিব। এই সন্মিলনত ৰাজস্থানৰ মুখ্যমন্ত্ৰী ভজন লাল শৰ্মাই আদৰণি ভাষণ আগবঢ়াব। তিনি দিনীয়াকৈ হ'বলগীয়া এই শীৰ্ষ সন্মিলনত অংশীদাৰ ৰাষ্ট্ৰ হিচাপে অংশগ্ৰহণ কৰিবলগীয়া ১৭খন দেশকে ধৰি মুঠ ৩২খন দেশে অংশগ্ৰহণ কৰিব। এই শীৰ্ষ সন্মিলনৰ পূৰ্বেই ইতিমধ্যে ৩০ লাখ কোটি টকাৰ বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰা হয়। সন্মিলনৰ লগত সংগতি ৰাখি বিভিন্ন দেশত লাভ কৰি থকা ৰাজস্থানৰ লোকসকলক একত্ৰিত কৰি ৰাজ্যখনক সহযোগিতামূলক দৃষ্টিভংগীৰে আগবঢ়াই নিয়াৰ উদ্দেশ্যে অহা ১০ ডিচেম্বৰত প্ৰবাসী ৰাজস্থানী সন্মিলন হ'ব। ১১ ডিচেম্বৰত অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগী নীতি নিৰ্ধাৰক তথা আৰু উদ্যোগ বিশেষজ্ঞসকলৰ অংশগ্ৰহণেৰে ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ সন্মিলন অনুষ্ঠিত হ'ব।

ooooo

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং আজি তিনি দিনীয়া ভ্ৰমণসূচীৰে ৰাছিয়ালৈ যাব। এই ভ্ৰমণকালত তেওঁ ৰাছিয়াৰ প্ৰতিৰক্ষা মন্ত্ৰী আন্দ্ৰে বেলোছ'ভৰ সৈতে মস্কোত সেনা আৰু সামৰিক প্ৰযুক্তি সহযোগিতা সম্পৰ্কীয় ভাৰত-ৰাছিয়া আন্তঃচৰকাৰী আয়োগৰ  ২১ সংখ্যক বৈঠকত সহ-অধ্যক্ষতা কৰিব। বৈঠকত মন্ত্ৰী দুগৰাকীয়ে সামৰিক আৰু ঔদ্যোগিক সহযোগিতাৰ ক্ষেত্ৰত দেশ দুখনৰ মাজত থকা বহুমুখী সম্পৰ্কৰ পৰ্যালোচনা কৰিব। পাৰস্পৰিক স্বাৰ্থজড়িত সমসাময়িক আঞ্চলিক আৰু বিশ্বত চলি থকা বিষয়সমূহৰ সন্দৰ্ভতো আলোচনা কৰিব। ভ্ৰমণসূচীৰ অংশ হিচাপে ৯ ডিচেম্বৰত কালিনিনগ্ৰাডত শ্ৰীসিঙে ভাৰতীয় নৌবাহিনীৰ আই এন এছ্ টুছিলৰ অন্তৰ্ভুক্তি কৰিব। প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে মস্কোত থকা স্মাৰকত দ্বিতীয় বিশ্বযুদ্ধত শ্বহীদ হোৱা ছোভিয়েট সৈনিকসকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিব। মস্কোত থকা প্ৰবাসী ভাৰতীয়সকলৰ সৈতে প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে মত-বিনিময় অনুষ্ঠানত ভাগ ল'ব।

ooooo

বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে কালি ২০২৫-২৬ বৰ্ষৰ সংগতি ৰাখি বিভিন্ন কৃষক সংগঠন আৰু আগশাৰীৰ কৃষি অৰ্থনীতিবিদসকলৰ সৈতে নতুন দিল্লীত দ্বিতীয় প্ৰাক-বাজেট আলোচনাত অধ্যক্ষতা কৰে। বিত্ত মন্ত্ৰীগৰাকীয়ে লগতে অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগৰ অংশীদাৰসকলৰ সৈতেও আলোচনাত মিলিত হয়। এই বৈঠকত বিত্ত ৰাজ্য মন্ত্ৰী পংকজ চৌধাৰীৰ লগতে বিত্ত সচিব আৰু অৰ্থনৈতিক পৰিক্ৰমা বিভাগৰ সচিবৰ লগতে জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে।

ooooo

কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহন আৰু জলপথ দপ্তৰৰ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে ভাৰত ২০৪৭ চনৰ ভিতৰত বিশ্বৰ ১০খন শীৰ্ষ সামুদ্ৰিক ৰাষ্ট্ৰৰ ভিতৰত অন্যতম ৰূপে পৰিগণিত হ'ব বুলি প্ৰকাশ কৰিছে। তেওঁ কয়, যে দেশৰ বন্দৰসমূহত সামগ্ৰী সৰবৰাহৰ পৰিমাণ ক্ষিপ্ৰতাৰে বৃদ্ধি পাইছে আৰু জাহাজৰ নিৰ্মাণৰ লগতে পুনৰ নিৰ্মাণৰ সামৰ্থ বৃদ্ধি পাইছে। চেন্নাইৰ কামাৰাজা বন্দৰৰ ৰূপালী জয়ন্তী বৰ্ষ উদযাপনৰ অনুষ্ঠানত তেওঁ এই কথা প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে কালিৰ অনুষ্ঠানত ৫৪৫ কোটি টকা ব্যয় সাপেক্ষ সংহত জাহাজ নিয়ন্ত্ৰণ কেন্দ্ৰৰ লগতে আন ভালেমান প্ৰকল্প মুকলি কৰে। তেওঁ কয়, যে ভৱিষ্যতৰ সম্প্ৰসাৰণৰ সম্ভাৱনাৰে পৰ্যাপ্ত পৰিমাণত কয়লাৰ সৰবৰাহৰ সুবিধা ৰাখি এই বন্দৰটো বিকশাই তোলা হৈছে। শ্ৰী সোণোৱালে কয়, যে বছৰি নিৰ্মাণ কৰা আই অ' চি এলৰ তিনি মিলিয়নটন জেটিৰ সামৰ্থ ভৱিষ্যতে আৰু বৃদ্ধি কৰিব পৰা যাব। তেওঁ কয়, যে বন্দৰ মন্ত্ৰালয়ৰ বিভিন্ন আন্তঃগাঁথনি উন্নয়নৰ প্ৰকল্পসমূহ সময়মতে নিৰ্মাণ কৰাৰ ফলত বিভিন্ন ধবজাবাহী আঁচনিৰ ৰূপায়ণৰ কাম খৰতকীয়া হৈছে।

ooooo

কেন্দ্ৰীয় মন্ত্ৰী ড০ মনসুখ মন্দাভিয়াই যোৱাটো দশকত দেশৰ ক্ৰীড়াৰ ক্ষেত্ৰত আমূল পৰিৱৰ্তন সাধন হৈছে বুলি প্ৰকাশ কৰিছে। নাগালেণ্ডৰ ক'হিমাত আয়োজিত এটা অনুষ্ঠানত তেওঁ কয়, যে বিগত সময়ছোৱাত দেশে কেৱল অংশগ্ৰহণ কৰাৰ পৰিৱৰ্তে অলিম্পিক, পেৰাঅলিম্পিক আৰু অন্যান্য আন্তঃৰাষ্ট্ৰীয় প্ৰতিযোগিতাত গুৰুত্বপূৰ্ণ প্ৰতিদ্বন্দ্বী হিচাপে অৱতীৰ্ণ হৈছে। ক্ৰীড়া ক্ষেত্ৰৰ এই পৰিৱৰ্তন কৌশলগত পৰিকল্পনা, বুনিয়াদি পৰ্যায়ত অংশগ্ৰহণ আৰু শ্ৰেষ্ঠত্বৰ প্ৰতি থকা দৃঢ় সংকল্পৰ ফলতেই সম্ভৱ হৈছে বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে চৰকাৰে ই-ক্ৰীড়াৰ সম্ভাৱনাক কেৱল বিনোদনৰ বাবেই নহয়, বৰঞ্চ যুৱপ্ৰজন্ম উদ্ভাৱন আৰু অৰ্থনৈতিক বিকাশৰ ক্ষেত্ৰত নতুন সম্ভাৱনা সৃষ্টিৰ বাবে স্বীকৃতি প্ৰদান কৰিছে। উল্লেখযোগ্য যে, মন্ত্ৰীগৰাকী দুদিনীয়া ভ্ৰমণসূচীৰে কালি ক'হিমাত উপস্থিত হয়।

ooooo

এডিলেইডত অনুষ্ঠিত ব'ৰ্ডাৰ গাভাস্কাৰ ট্ৰফীৰ দ্বিতীয় টেষ্ট মেচৰ আজি তৃতীয় দিনা ভাৰতে ৫ উইকেটৰ বিনিময়ত ১২৮ ৰানৰ পৰা দ্বিতীয় ইনিংছত খেল আৰম্ভ কৰিব। খেলখন আজি ভাৰতীয় সময় অনুসৰি পুৱা চাৰে ৯ বজাত আৰম্ভ হ'ব। ভাৰতীয় দলটো অষ্ট্ৰেলিয়াতকৈ সামগ্ৰিকভাৱে ২৯ ৰানত পিছ পৰি আছে। কালি দিনান্তত ঋষভ পণ্টে ২৮ আৰু নীতিশ ৰেড্ডীয়ে ১৫ ৰান কৰি খেলি আছিল। অষ্ট্ৰেলিয়াই প্ৰথম ইনিংছত ত্ৰেভিছ হেডৰ শতকৰ সহায়ত ৩৩৭ ৰান সংগ্ৰহ কৰি ১৫৭ ৰানৰ অগ্ৰগতি লাভ কৰে। ত্ৰেভিছ হেডে ১৪১টা বলত ১৪০ ৰান কৰে। ভাৰতৰ হৈ মহম্মদ ছিৰাজ আৰু যশপ্ৰীত বুমৰাহে ৪টাকৈ উইকেট দখল কৰে। আনহাতে ভাৰতে প্ৰথম ইনিংছত আঠাইকেইটা উইকেট হেৰুৱাই ১৮০ ৰান সংগ্ৰহ কৰে। উল্লেখযোগ্য যে ৫ খনীয়া ক্ৰিকেট শৃংখলাটোত ভাৰত ১-০ ফলাফলত আগবাঢ়ি আছে।

ooooo

ভাৰত আজি ওমানৰ মাস্কতত হ'বলগীয়া মহিলাৰ জুনিয়ৰ এছিয়া কাপ হকী প্ৰতিযোগিতাৰ নিজৰ প্ৰথমখন খেলত বাংলাদেশৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। প্ৰতিযোগিতাত জ্যোতি সিঙে ভাৰতীয় জুনিয়ৰ মহিলা হকী দলৰ নেতৃত্ব বহন কৰিব। সাক্ষী ৰানা ভাৰতীয় দলৰ উপ-অধিনায়ক হ'ব। প্ৰতিযোগিতাত কালি চীনে গ্ৰুপ এৰ প্ৰথমখন খেলত বাংলাদেশত ১৯-০ গলত পৰাস্ত কৰে। গ্ৰুপ এৰ আন এখন খেলত মালয়েছিয়াই থাইলেণ্ডক ৩-০ গলত আৰু পুল বিৰ এখন খেলত জাপানে শ্ৰীলংকাক ১৫-০ গলত পৰাভূত কৰে। ১০টা দলে এই প্ৰতিযোগিতাত ভাগ লৈছে। যোৱা বাৰৰ চেম্পিয়ন ভাৰতক চীন, মালয়েছিয়া, থাইলেণ্ড আৰু বাংলাদেশৰ সৈতে গ্ৰুপ এত স্থান দিয়া হৈছে। দক্ষিণ কোৰিয়া, জাপান, চীনা টাইপে, হংকং আৰু শ্ৰীলংকাক গ্ৰুপ বিত অন্তৰ্ভুক্ত কৰা হৈছে। জুনিয়ৰ এচিয়া কাপ হকী প্ৰতিযোগিতা অহা বছৰ ছিলিত হ'বলগীয়া এফ আই এইছ জুনিয়ৰ বিশ্বকাপৰ যোগ্যতা নিৰুপনকাৰী প্ৰতিযোগিতা। এই প্ৰতিযোগিতাৰ শীৰ্ষৰ ৫টা দলে জুনিয়ৰ বিশ্বকাপ হকী প্ৰতিযোগিতাৰ খেলাৰ সুযোগ লাভ কৰিব।

ooooo

**সমাপ্ত**